৮ দৈনিক অসম, গুৱাহাটী, বৃহস্পতিবাৰ, ২৪ মাৰ্চ, ২০২২

# বিশ্ব কবিতা দিৱস উদ্‌যাপন

ছিপাঝাৰ, ২৩ মাৰ্চ ঃ ছিপাঝাৰ মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু ইংৰাজী বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত যোৱা ২১ মাৰ্চত 'বিশ্ব কবিতা দিৱস' উদ্‌যাপন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি সেইদিনা মহাবিদ্যালয় সভাগৃহত অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকাৰ সঞ্চালনাত এখনি মনোজ্ঞ বৈঠক অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° হিমাক্ষী বৰদলৈয়ে আঁত ধৰা বৈঠকখনত ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° বৰ্ণালী শৰ্মাই মেটাফিজিকেল কবিতা সন্দৰ্ভত আৰু অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে 'কবিতা সৃষ্টি আৰু ইয়াৰ উপাদান' সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। উক্ত বৈঠকত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক, বিশিষ্ট গল্পকাৰ ইমৰাণ হুছেইন, দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক ড° মানসজ্যোতি ডেকা, গ্ৰন্থপালিকা ড° নিৰ্মালী চক্ৰৱৰ্তী, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বিজয়লক্ষ্মী চহৰীয়াৰ উপৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শৰীফ মুৰ্তাজা, পংকিতা কলিতাৰ লগতে বৰ্তমানৰ ছাত্ৰী ক্ৰমে শ্বাহজাদী চন্দনম, দীপ্তি কুমাৰ, কাকলি নাথ আৰু মেহজেহা ছিদ্দিকা আদিয়ে স্বৰচিত কবিতা পাঠ কৰে।